# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-07-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***

:::::::::::::::::::::::::::::::::

চৰকাৰৰ বিভিন্ন বিভাগ আৰু সংস্থাত নতুনকৈ নিযুক্তি লাভ কৰা ৫১ হাজাৰতকৈও অধিক যুৱক-যুৱতীক কাইলৈ ৰোজগাৰ মেলাৰ জৰিয়তে আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। এই উপলক্ষে ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰ মাধ্যমেৰে আয়োজন কৰা এটা অনুষ্ঠানত ভাগ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিযুক্তি পত্ৰসমূহ বিতৰণ কৰিব।

এই অনুষ্ঠানতে তেওঁ নৱনিযুক্ত প্ৰাৰ্থীসকলক উদ্দেশ্য কৰি ভাষণ দিব। উল্লেখযোগ্য যে নতুনকৈ নিযুক্তি লাভ কৰা যুৱক-যুৱতীসকলক নিযুক্তিপত্ৰ বিতৰণৰ লক্ষ্যৰে কাইলৈ দেশৰ ৪৭ টা স্থানত যোড়শ ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু বিভাগসমূহত নতুনকৈ প্ৰাৰ্থীক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে। উত্তৰ পূৰ সীমান্ত ৰে'লৱেৰ পৃষ্ঠপোষকতাত কাইলৈ গুৱাহাটী, ডিমাপুৰ আৰু শিলিগুৰিত পুৱা চাৰে দহ বজাৰ পৰা এই ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। উত্তৰ পূৰ সীমান্ত ৰেলৱেৰ গুৱাহাটীৰ মালিগাওঁত থকা মুখ্য কাৰ্যালয় ৰং ভৱনত হবলগীয়া ৰোজগাৰ মেলাত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব।

ooooo

ৰাজ্য চৰকাৰৰ অনুসূচীত জাতি, পিছপৰা শ্ৰেণীৰ কল্যাণ সঞ্চালকালয় আৰু উত্তৰ-পূব দক্ষতা কেন্দ্ৰৰ সহযোগত শোণিতপুৰ জিলাৰ অনুসূচীত জাতিৰ প্ৰাৰ্থীৰ বাবে প্ৰধানমন্ত্ৰী অনুসূচীত জাতি অভ্যুদয় আঁচনিৰ অধীনত বিনামূলীয়াকৈ এবছৰীয়া বৃত্তিমূলক দক্ষতা প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। ২০২৫-২০২৬ শৈক্ষিক বৰ্ষৰ বাবে এই বিনামূলীয়া কাৰ্যসূচীত নামভৰ্তিৰ বাবে অভিযান চলোৱা হ'ব বুলি শোণিতপুৰৰ জিলা উন্নয়ন আয়ুক্তই এখন পত্ৰযোগে প্ৰকাশ কৰিছে। অহা ১৬ জুলাই পুৱা ১১ বজাৰ পৰা তেজপুৰত থকা জিলা নিয়োগ বিনিময় কেন্দ্ৰত এই নামভৰ্তি অভিযান অনুষ্ঠিত হ'ব। আই টি ই ই এছ ছিংগাপুৰৰ সহযোগিতাৰে অসম দক্ষতা বিকাশ অভিযানৰ অধীনৰ এই প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে ব্যৱসায়িক ভিত্তিত সৌন্দৰ্য চৰ্চা আৰু স্বাস্থ্য যতন, খুচুৰা সেৱাকে ধৰি বিভিন্ন বিষয়ৰ উচ্চমানৰ বৃত্তিমূলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই প্ৰশিক্ষণৰ নামভৰ্তিৰ বাবে প্ৰাৰ্থীসকল অনুসূচীত জাতিৰ হোৱাৰ লগতে উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। প্ৰশিক্ষাৰ্থীৰ বয়স ১৭ৰ পৰা ২৫ৰ বছৰৰ ভিতৰত হ'ব লাগিব। ১৬ জুলাইত হ'বলগীয়া কাৰ্যসূচীত ইচ্ছুক প্ৰাৰ্থীসকলৰ বাবে থিতাতে নামভৰ্তিৰ ব্যৱস্থা কৰা হৈছে। আগ্ৰহী অনুসূচীৰ জাতিৰ প্ৰাৰ্থীসকলক সেইদিনা সঠিক সময়ত উপস্থিত

থাকি বিনামূলীয়া দক্ষতা বিকাশ প্ৰশিক্ষণ আৰু উন্নত নিয়োগৰ সুযোগৰ বাবে সুবিধা গ্ৰহণ কৰিবলৈ শোণিতপুৰৰ জিলা উন্নয়ন আয়ুক্তই আহ্বান জনাইছে।

ooooo

ডিব্ৰুগড় জিলা কৃষি বিভাগৰ মাটি স্বাস্থ্য পৰীক্ষা কেন্দ্ৰত আজি কৃষকসকলক মাটিৰ স্বাস্থ্য পৰীক্ষা কাৰ্ড বিতৰণ কৰা হয়। জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্ড বিতৰণী সভাত আয়ুক্তগৰাকীয়ে মাটি পৰীক্ষা, গুণগত নিয়ন্ত্ৰণ আৰু পৰীক্ষাগাৰৰ অধীনত হৈ থকা কাৰ্যসূচী সন্দৰ্ভত আলোকপাত কৰে। তেওঁ লগতে অক্টোপাচ নামৰ মাটি পৰীক্ষা কৰা এটা বেচৰকাৰী পৰীক্ষাগাৰো পৰিদৰ্শন কৰে। অনুষ্ঠানত জিলাখনৰ সহকাৰী আয়ুক্ত, নিৰ্বাচনী বিষয়া, কৃষি বিষয়া আৰু বিভাগীয় বিষয়া-কৰ্মচাৰীৰ লগতে যথেষ্ট সংখ্যক কৃষক ৰাইজ উপস্থিত থাকে।

ooooo

যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত ২০২৪-২৫ বৰ্ষৰ খাৰিফ শস্যৰ বিপনণ বতৰৰ ধান ক্ৰয় সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে অতিৰিক্ত জিলা আয়ুক্ত, খাদ্য আৰু অসামৰিক যোগান বিভাগ, জিলা কৃষি বিষয়া, ভাৰতীয় খাদ্য নিগমৰ সংমণ্ডল পৰিচালকৰ উপস্থিতিত জিলাখনত ধান ক্ৰয় সন্দৰ্ভত বিতংভাৱে আলোচনা কৰে। জিলাখনৰ অন্তৰ্গত ধান ক্ৰয় কেন্দ্ৰসমূহে বৰ্ষটোত পাঁচ হাজাৰ ২০০ মেট্ৰিকটন ধান ক্ৰয় কৰাৰ লক্ষ্য লৈছিল যদিও পাঁচ হাজাৰ ১৩৫ মেট্ৰিকটন ধান ক্ৰয় কৰে বুলি বৈঠকত প্ৰকাশ কৰা হয়। এই বৈঠকত জিলা আয়ুক্তগৰাকীয়ে হাঁহচৰা, নকছাৰী আৰু তিতাবৰ মাধপুৰত নতুনকৈ স্থাপন হ'বলগীয়া ধান ক্ৰয় কেন্দ্ৰ সন্দৰ্ভতো সংশ্লিষ্ট বিষয়াসকলৰ সৈতে আলোচনা কৰে।

ooooo

আজি বিশ্ব জনসংখ্যা দিৱস। সমগ্ৰ বিশ্বতে জনসংখ্যা বৃদ্ধিৰ ফলত উদ্ভৱ হোৱা প্ৰত্যাহ্বানৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিবছৰে ১১ জুলাইত এই দিৱস পালন কৰা হয়। পৰিৱেশ তথা উন্নয়নকে ধৰি জনসংখ্যাৰ সৈতে জড়িত বিষয়সমূহৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ১৯৯০ চনৰ ডিচেম্বৰত গ্ৰহণ কৰা এটা প্ৰস্তাৱৰ জৰিয়তে বিশ্ব জনসংখ্যা দিৱস পালনৰ সিদ্ধান্ত গ্ৰহণ কৰে। ১৯৯০ চনৰ ১১ জুলাইত বিশ্বৰ ৯০ খনতকৈও অধিক দেশত প্ৰথমবাৰৰ বাবে এই দিৱস পালন কৰা হৈছিল। এইবাৰৰ দিৱসৰ মূল বিষয় হ'ল - মাতৃ আৰু শিশু উভয়ৰে সুস্বাস্থ্য আৰু কল্যাণৰ হকে গৰ্ভধাৰণৰ মাজৰ সময়ৰ উপযুক্ত ব্যৱধান।

ৰাজ্যৰ কেইবাখনো জিলাত আজি বিশ্ব জনসংখ্যা দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। মৰিগাঁও জিলাত লায়ন্স ক্লাবৰ উদ্যোগত আৰু মৰিগাওঁ মহাবিদ্যালয়ৰ সহযোগত এই দিৱস উপলক্ষে আজি এখন দিনযোৱা সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত লায়ন্স ক্লাবৰ সদস্য, মহাবিদ্যালয়ৰ শিক্ষককে ধৰি এশ গৰাকীৰো অধিক লোকে অংশগ্ৰহণ কৰে। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ পৰাও আমালৈ এই দিৱস পালনৰ বাতৰি আহি আছে।

ooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই আজি গড় সংৰক্ষণ আৰু প্ৰাকৃতিক প্ৰশিক্ষণ ব্যৱস্থাৰ অধীনত এখন বিশেষ সভাৰ আয়োজন কৰে। অনুষ্ঠানত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু

বন আৰু পৰিবেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী উপস্থিত থাকে। সভাত ভাৰতীয় তেল নিগমে ছখন অত্যাধুনিক জীপ গাড়ী আনুষ্ঠানিকভাৱে বন বিভাগক অৰ্পন কৰে।

০০০০০

নিক্ষয় মিত্ৰৰ অংশস্বৰূপে আজি ডিব্ৰুগড় জিলা নাহৰকটিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত যক্ষ্মা ৰোগত আক্ৰান্ত ৰোগীসকলক খাদ্যৰ টোপোলা বিতৰণ কৰা হয়। District Mineral Foundatin Trust ৰ সহযোগত গ্ৰহণ কৰা এই ব্যৱস্থাৰ মূল উদ্দেশ্য হৈছে- যক্ষ্মা ৰোগীসকলক প্ৰয়োজনীয় পুষ্টিগত খাদ্যৰ যোগান নিশ্চিত কৰা।

০০০০০

সমাপ্ত